# 2022

## ASSAMESE

## ( Modern Indian Language )

## ( Non-CBCS )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' পাঠটো কোনখন মূল পুথিৰ অন্তৰ্গত?

(খ) লক্ষ্মীপতি ভগৱন্তই ক'ত মহাসুখে কটাইছিল?

(গ) 'পৃথিৱীৰ মঙ্গলময়া' বুলি কাৰ বিষয়ে কোৱা হৈছে?

(ঘ) সদানন্দই কোনখন কাকত চৈধ্য বছৰকাল পঢ়িছিল?

(ঙ) মাধৱদেৱে জীৱনৰ শেষভাগত ৰচনা কৰা 'অনুপম' গ্ৰন্থখনৰ নাম কি?

(চ) মণিৰাম দেৱানক কিমান তাৰিখে ফাঁচী দিয়া হৈছিল?

(ছ) "একোখনি গ্ৰন্থ একোগৰাকী মনীষীৰ মূল্যৱান জীৱনৰ জীৱনী স্বৰূপ।" কথাষাৰ কোনে কৈছিল?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) "বোলে বৰাৰ পো, গৰ বান্ধি যুজিলে সজ প্ৰাণৰ সংশয় নাই : বিনা গৰে যুজিলে ভয়॥" এই কথাষাৰ কোনে, কাক কৈছিল?

(খ) নগঞা লোকে ইংৰাজৰ সৈতে যুঁজ কৰি জয়লাভ নকৰাৰ কাৰণ কি?

(গ) "যোৱা এক পইচাৰ কাকতৰ দাম সাধিবলৈ আহিছা, মোৰ অলপীয়া ধন দিবলৈ লাজহে লাগে।" এই কথাষাৰ কোনে, কাক কৈছিল?

(ঘ) 'মণিৰাম দেৱানৰ ফঁচী' প্ৰবন্ধটোত উল্লেখ থকা বাগিচা দুখনৰ নাম লিখা।

৩। প্ৰসঙ্গ-সংগতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) এদিন ছোট আতা আপিক ধৰি কন্ধে তুলি বোলে তুমি গুৰু-দুহিতৃ, সেৱাৰ বন্দনী, আমাৰহে বন কৰা : বুলি নি গুৰুজনৰ আগত থলেগৈ।

(খ) হে সিন্ধু পত্নী নদীসৱ, তোৰা দেখো
সুখাইলা, পদ্মো গুচিল, জাতো ইদানীক
সাগৰে বৃষ্টি কৰি তোৰাক আনন্দ নকৰান্ত।

(গ) কৰ্তব্য-পালন নিৰানন্দনাশী মহামন্ত্ৰ।





(ঘ) ৰসময়ী ভক্তি যাৰ অন্তৰৰ প্ৰেৰণা, তেওঁৰ উপদেশৰ মালাধাৰিও পাৰ বাগৰি যোৱা ৰসৰ টৌ মাথোন।

(ঙ) স্বৰূপ কথাত সত্য সাহিত্য শক্তিশালী মানৱাত্মাৰ ডায়েৰি বা বুৰঞ্জীৰ নিচিনা।

৪। (ক) 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' পাঠৰ আধাৰত শংকৰদেৱ আৰু মাধৱদেৱৰ মিলন কিদৰে হৈছিল, আলোচনা কৰা। ১০

*অথবা*

(খ) "এই কলা ঘুমটিৰ গুণত অসীয়া মানুহ কিমান সুখী।" লেখকৰ মন্তব্যৰ আঁত ধৰি কথাষাৰ বিশ্লেষণ কৰা।

৫। (ক) 'নামঘোষা'ৰ মাজেৰে প্ৰৱাহিত হোৱা প্ৰধান ভাবৰ ধাৰা-কেইটা সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) সত্যনাথ বৰাই জীৱনটো অমৃতময় কৰিবলৈ হ'লে কি কি উপায় অৱলম্বন কৰিব লাগে বুলি কৈছে, বৰ্ণনা কৰা।

৬। (ক) মণিৰাম দেৱান কোন? তেওঁক কি অপৰাধত ফঁচী দিয়া হৈছিল? ফঁচীৰ আগদিনা মণিৰাম দেৱানে পুতেকক কি উপদেশ দিছিল, বিৱৰি লিখা। ১০

*অথবা*

(খ) সাহিত্য, আৰ্ট আৰু জীৱন সম্বন্ধে মহেশ্বৰ নেওগে কি মতামত আগবঢ়াইছে, পাঠ্যপুথিৰ আলমত বিচাৰ কৰা।

★★★